# কবিতা কানন

'কবিতা শব্দৰ শিল্প।
গতিকে শব্দহীন কবিতা
এটা অস্তিত্বহীন সত্তা।
আনহাতে শব্দৰ দেহৰ ভিতৰত থকা
অথচ
দেহাতীত ব্যঞ্জনাকেই
কবিতাৰ চৰম প্ৰাপ্তি
বুলি ভবা হয়।'


-নৱকান্ত বৰুৱা

* নিঃসংগ অনুভৱ
* কোলাহল
* কুকুৰ
* সপোনভৰা অনুভৱ
* বালিচৰ
* তোমাৰ দৃষ্টি
* সুবাস
* উকা কাগজৰ দাগ

* এটা অমৃত শব্দ
* চল
* মায়া
* শেতা পোহৰ
* প্ৰহসন মোৰ অনন্ত আশাৰ
* দুবৰি বন
* প্ৰতীক্ষা
* সেউজী শব্দৰ এপাহি কপৌ
* গীত

# নিসংগ অনুভৱ

শ্ৰীদধীমোহন মেধী
স্নাতক ১ম বৰ্ষ (কলা শাখা)



এতিয়া মই বৰ অকলশৰীয়া
প্ৰতিতো মুহূৰ্ততে ঘনীভূত
অস্থিৰ সময়ৰ বিষাক্ত ৰূপত
ঢালি পৰে সূৰ্য
অথবা
মেঘৰ মাজে মাজে
বাৰে বাৰে হেৰাই যোৱা
চন্দ্ৰৰ স্নিগ্ধতা
অথবা
হাতৰ মুঠিত
বাৰে বাৰে সোমাই পৰা
ভয়াবহ নিষ্ঠুৰতা
চকুৰ আগত ওলমি ৰয়
সংজ্ঞাহীন জীৱনৰ বাসনা;
লুণ্ঠিত হয় প্ৰেম আৰু মানৱতা
আৰু
প্ৰকৃতিৰ উৰ্বৰতা
ফাগুনৰ বতাহত
আৰুনো কিমান শুনিম
ডেউকা ভঙা কপৌৰ বিননি
বুকুত পুত্ৰহাৰা পিতৃৰ বেদনা
এতিয়া মই
বৰ অকলশৰীয়া।

# কোলাহল

শ্ৰীবশিষ্ঠ দেৱ শৰ্মা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)

কঠোৰ শ্ৰমৰ পিছতো
নিশ্চিত ভাবে বহুৰাতি
শুৱ পৰা নাই
আশে পাশে কাৰো নহয় কাৰো
কৰুণ আৰ্তনাদ
অনবৰত আগতে নুশুনা
বন্দুক -বাৰুদৰ অনাহক শব্দ
কোলাহলত চিলমিল টোপনি ভাগে
বাৰুদৰ ধোঁৱাত হেৰায় চৰাইৰ
পুৱাৰ গীত
কাৰ জয় কাৰ পৰাজয়
সিদ্ধান্তত আউল লাগে
প্ৰশ্ন হয় বন্দুকৰ ট্ৰিগাৰত কেতিয়া
মামৰে ধৰিব
প্ৰশ্ন হয় পৰশুৰামৰ হাতৰ কুঠাৰ
কেতিয়া সৰিব।



# কুকুৰ

শ্ৰীহেমন্ত কুমাৰ ৰাভা
স্নাতক ২য় বৰ্ষ (কলা শাখা)

এটি প্ৰচণ্ড খুন্দাত ৰাস্তাৰ কাষত
চিটিকি পৰিছে তাৰ দেহ
বাঁও ঠেঙৰ পেশী খুলি পৰিছে
মুখেৰে হলাহল তেজ
নিগৰিছে
এটা সময়ত স্তব্ধ হৈ গৈছে
তাৰ লেকেটা প্ৰাণ
কোনোৱে উভতি চোৱা নাই
উভতি চোৱা নাই গাড়ীৰ
কোমল চোফাত ওলমি যোৱা
সগোত্ৰই
স্বাভাৱিক ভাবে তাৰ সৎকাৰৰ বাবে
উৰি আহিছে কেইটামান
কাউৰী
সিহঁতে হিচাপ ৰখা নাই
সেই নিথৰ দেহটো হ'ব পাৰে
এটা অনামী অঘৰী
কুকুৰৰ।



# সপোন ভৰা অনুভৱ

শ্ৰীঅকণ দাস
স্নাতক ১ম বৰ্ষ (বিজ্ঞান শাখা)

সপোন ভৰা অনুভৱ
প্ৰাণ পাই উঠে এটি
চিকুণ ৰ'দালি পুৱা
ৰঙা, নীলা, হালধীয়া
আল্পনা আঁকি দিয়ে
চকুৰ পতাত
কবিতা কবিতা লগা
এটি পুৱাই সমুখত তুলি ধৰে
যৌৱনা পৃথিৱী আৰু
সোণালী জীৱন ৰথ
ক'ব পৰা জানো আহে
এই চিকুণ ৰ'দালি
পুৱা।



# দুটি কবিতা

☐ দেৱজিৎ বৰা
স্নাতক ১ম বৰ্ষ ( কলা শাখা)



## তোমাৰ দৃষ্টি

আঁতৰাই নিয়া ইয়াৰ পৰা তোমাৰ চকুৰ এই নিৰ্মম দৃষ্টি।
সকলো হিংস্রতাত উদ্দীপিত তোমাৰ চকুৰ
এই নিৰ্দয় দৃষ্টিয়ে বিশৃংখলিত কৰে
শান্তিৰ মহাৰ্ঘ সময়।

তোমাৰ চকুৰ আটাইতকৈ নিৰ্দয় এই দৃষ্টি
মই সহিব নোৱাৰোঁ কেতিয়াও। তোমাৰ এই দৃষ্টিয়ে
উলঙ্গ কৰে সুখেৰে আবৃত মোৰ বুকু। মই
ব্যাকুল হৈ পৰো শোকত। মৃত্যুৰ নীৰৱতাত
নিসাৰ হয় মোৰ দেহ।

আঁতৰাই নিয়া ইয়াৰ পৰা তোমাৰ চকুৰ এই নিৰ্মম দৃষ্টি।
তোমাৰ এই দৃষ্টিয়ে নিষ্ঠুৰতাৰে বিনাশ কৰে
সত্যতা। অকাৰণে ভাঙি দিয়ে মানুহৰ প্ৰেমৰ সকলো
অমল উৎসৰ। এনেকি প্ৰিয় মানুহৰ বাৰ্তাত
চৌদিশ চঞ্চল কৰে সময়।

সকলো অসংযত নীতিৰে চালিত তোমাৰ এই দৃষ্টিত
আজি ধূঁৱলী - কুঁৱলী ভাবী কালৰ হিৰন্ময়ী সপোন।
আঁতৰাই নিয়া ইয়াৰ পৰা তোমাৰ এই নিৰ্মম দৃষ্টি।
তোমাৰ এই দৃষ্টিয়ে নিৰ্দয়তাৰে বিচাৰি ফুৰিছে
মোৰ দেশৰ সমস্ত সুখৰ ঠিকনা; নিঃশেষ কৰি
মানুহৰ স্বতঃস্ফূৰ্ত স্বাধীনতা।।

## বালিচৰ

গৈ গৈ এদিন হয়তো পামগৈ সেই বালিচৰ
য'ত পোত গৈ থাকিব মোৰ শৈশৱৰ
আশাৰ বৰশী বোৱা সুৱদি নৈখন,
পখিলাৰ পমখেদা
সোণোৱালী পুৱাবোৰ। ধুমুহা আৰু বিশাল বালিস্তুপৰ
আকীৰ্ণ সেই ভূমিত শিশুৰ দৰে উলাহতে
মই আকৌ এবাৰ সাজিম বালিঘৰ, আৰু এজাক
উন্নত ধুমুহাই উকৰাই নিব মোৰ হেঁপাহৰ বালিঘৰ

প্ৰখৰ ৰ'দত মই বালিৰে সতে উজলি উঠিম
স্মৃতিৰ দাগ আৰু ঘাঁ বোৰত বালি লগাই
শিঁয়ৰি উঠিম গভীৰ যন্ত্ৰনাত
দুচকুত ওলমি থকা পানীৰ স্বপ্ন মৰীচিকা হ'ব
কণ্ঠত বাজিব তৃষ্ণাৰ গুঞ্জণ

সন্ধিয়া মোৰ দুচকুৰ দুটোপাল চকুলোৰে
শীতল হ'ম। ধুমুহাৰ এটি বিশাল ঘৰত
মই বালিৰে বিচনা পাতি শুই থাকিম গোটেই নিশা।
লাহে লাহে মোৰ হৃদয়তে গঢ় ল'ব
এখন বালিচৰ।
উস্। এদিন বালিচৰ হ'ব মোৰ হৃদয়।।



## উকা কাগজৰ দাগ

☐ শ্রীসঞ্জয় বড়ো
স্নাতক ২য় বৰ্ষ (কলা শাখা)

ৰং তুলিকাৰে গঢ়া তুমি
এখনি ফুলাম প্রকৃতিৰ ছবি
নিজম নিশাৰ
টহ্ টহ্ কৈ জ্বলি থকা
এটি স্নিগ্ধ জোনাক
প্ৰশান্ত মহাসাগৰৰ বুকুত
ওপঙি থকা
যেন এখনি নৌকা
বুকুৰ আশাবোৰ কঢ়িয়াই ফুৰা।
নিমজ নিৰ্মল মুখখনিত
ফুটকৈ গজা
এটি কজলা তিল
সমস্ত কুৰূপ আঁতৰাই থোৱা ।
হে প্রিয়া
আৰু যে কত কথা
লুকাই আছে তোমাৰ মাজত
গুপুতে গুপুতে
তুমি যেন বুজিব নোৱাৰা
এক বিৰাট প্রহেলিকা ☐☐☐



## সুবাস

মিচ দীপশিখা দাস।
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

স্নিগ্ধ গোলাপৰ সুবাস এৰি
গোন্ধ লৈছিলোঁ
'নাইট কুইন'ৰ
অট্টালিকা অথবা ৰাজমহল এৰি
ঘৰ সাজিছিলো গহীন
বননিত
তুমি গুচি গ'লা অজানিতে
সিঁচি দিলা স্মৃতিৰ ছবি
বুকুৰ মাজত
ক'ত পালা তুলাচনী
জুখিব পাৰি প্রেমৰ ওজন। ☐☐☐



# এটা অমৃত শব্দ

শ্ৰীকমল কলিতা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

শৰৎ, হেমন্ত, ব'হাগ বসন্ত আহে
আকাশত এটুকুৰা জোন ওলায়
হৃদয়ৰ গভীৰত জন্ম হয়
এটা অমৃত শব্দ।
সৰ্বত্ৰতে বিয়পি পৰে
সেই শব্দ
তাৰ সুগন্ধই আমোল মোলাই যায়
মোৰ সমস্ত হৃদয়।
কিন্তু হায়!
এতিয়া শৰৎ, হেমন্ত, ব'হাগ, বসন্ত যায় যায়
জৰ্ জৰ্কৈ হালধীয়া পাতৰ ধুমুহা
চকুৰে মুখে আঁচুৰি যায়
আহ!
তথাপিও কোনো দিনেই তোমাক কোৱা নহ'ল
মুখ ফুটাই
এটা অমৃত শব্দ
এটা অমৃত শব্দ।






# ঢল

মিছ ৰছিদা বেগম
২য় বৰ্ষ উ: মা:শ্ৰেণী (কলা শাখা)

এতিয়া কাউৰীজনীয়ে
মূৰৰ ওপৰেৰে কা কা কৈ উৰি গ'লেও
কিবা অমংগল হ'ব বুলি
গা শিঁয়ৰি নুঠে
এই শব্দ আজি তেনেই চিনাকি
আকাশেৰে কুকুৰাই পাখি মাৰি
উৰি গ'ল কিম্বা মেকুৰীয়ে মাটিত
আঁচুৰিলেও নদীৰ বুকুত
মাছৰ উজান নুঠে।
অহৰহ উটি আহে মানুহৰ
মৰাশ
ৰূপোৱালী পানীত বাগৰে
তেজৰ ঢল
নদীৰ ঘাটত চেঙেলিয়া ডেকাকেইটাই
বৰশী বাই নাথাকে
কোনো নিজান ঠাইত হাতত
মাৰণাস্ত্ৰ লৈ খাপ পিতি ৰৈ থাকে
সৌভাগ্যৰ সন্ধানত
আইতাৰ মুখৰ পৰীৰ সাধুই
অথবা ৰাজকোঁৱৰৰ সাধুই
চোতাল ভিৰ নকৰে
এতিয়া আইতাৰ চকুত এক অচিন
আতংকৰ চিন।

## মায়া

শ্রীপ্রহ্লাদ ভড়ালী
প্রবক্তা, অর্থনীতি বিভাগ



মাজুলী মোৰ শৈশৱৰ
মোৰ কৈশোৰৰ
মাজুলীত বাজে মায়াময় সুৰ
শংকৰ-মাধৱৰ
আজন্ম চিনাকি তোৰ
সেউজীয়া বুকু
বিস্তীৰ্ণ আকাশ
কেনেকৈ যে নামিল
অতীত,
পাৰি দি পালো নামনিত
সেউজীয়া
নতুন চিনাকি জে, এন, চি,
প্ৰীতিৰ মায়াত আচ্ছন্ন
আকউ এবাৰ
সেই এখনি একেই
বিস্তীৰ্ণ আকাশ
নামে যদি ইয়াতো অতীত
উপচি থাকিব সোঁৱৰণী
সুমধুৰ।□□□

## শেঁতা পোহৰ

শ্ৰীসোণমণি বায়ন
স্নাতক ২য় বৰ্ষ (কলা শাখা)

জীৱনৰ মহা মহোৎসৱ
সুৰৰ লহৰে লহৰে
নীৰৱ পৰিভ্ৰমণ
পূজাৰ বেদীত অলেখ
ফুলৰ মালা,
আগবাটি আহে
নেদেখা এখন হাত
হোমৰ জুইত নামে
সন্ধিয়াৰ শেঁতা পোহৰ
সামৰণিত ওলমি থাকে
উছৰৰ অতীত আবেগ।




# প্ৰহসন মোৰ অনন্ত আশাৰ

শ্ৰীৰণ্টু দাস।
স্নাতক ১ম বৰ্ষ (কলা শাখা)

সিদিনা চ'তৰ শেষ লগ্নটোত গুৰুম্‌কৈ কিবা ফুটিছিল
যেন মঘায়ে ৰোগশয্যা এৰি আনন্দতে ঢোলত চপৰিয়াইছিল
মই শোৱা পাটীৰ পৰাই শুনিছিলো খিছিমিছিকৈ কিৰিলিবোৰ
কিবা যেন বৰ্বৰ উন্মাদেৰে বিহুৱাবোৰে নাচিছে
ঘৰে ঘৰে ধল পুৰাতে।
ভেকেট্‌কৈ জুয়ে পোৰা গোন্ধ এটা নাকত আহি লাগিছিল
আয়ে কিজানি পিঠা অতাওঁতে কোনোখন দহিল
তাকে ভাবিছিলো।

ক্ৰমান্বয়ে গোন্ধটো তীব্ৰতৰ হৈ উৰিছিল বতাহত
শোৱাপাটী এৰি গৈ চোতালত ভৰি দিয়েই দেখিলো
বহু মানুহে ইফালে-সিফালে দৌৰিছে
সম্ভৱতঃ গৰুজাকৰ পিছে পিছে লাও- বেঙেনা লৈ।
আনন্দৰ উন্মাদনা এটাই মনটোক খুন্দিয়াই থৈ গ'ল
যোৱা ৰাতিয়েই যতনাই থোৱা দীঘলতি, লাও-বেঙেনা লৈ
গোহালি পালোঁ।

নতুনত্বৰ উম সিহঁতে তেতিয়াও পোৱাই নাই।
হুলস্থুলবোৰ ভাল লগা নাই।
কিবা যেন ------------




গৰুহাল পঘাৰ পৰা এৰি দি কিৰিলিৰ পম খেদি গ'লোঁ
দেখিলোঁ ৰাঙলি দেহাটোৰ ওপৰত বাগৰি বগীয়ে হিয়া ফালি কান্দিছে
কানুৰ চূৰ্ণপ্ৰায় দোকানখন বহু ঠাইত সিঁচৰিত হৈ পৰিছে
তাৰ নিথৰ দেহেৰে বৈ যোৱা তেজ দোঙাই বগীৰ আঁচলখন
তিয়াই পেলাইছে।


'গুৰুম্' কৈ শব্দটো কাণৰ চাৰিওকাষত বাজিয়েই থাকিল।
বিষণ্ণতাৰে ঘৰ পাই দেখিলো
লাও বেঙেনাখিনি চোবাই-চোবাই
গৰুহালে পিছ চোতালেদি গতি লৈছে।
হাতৰ দীঘলতিডাল গোহালিৰ চাললৈ দলিয়াই দিলো
যাওক দে ------!

# দুবৰি বন

☐ মূল ঃ দুব্রি চিলাই
কবি ঃ ব্রজেন্দ্র কুমাৰ ব্রহ্ম
অনুবাদ ঃ মিচ্ ভৈৰৱী বড়ো
প্রবক্তা, বৰো বিভাগ

মোৰ জীৱন ইতিহাস য'ত হৈছিল অন্ত
আজি আকৌ তাৰ পৰাই জন্ম ,
যি দেহে সময় বালিত খোজ দিছিল
সেয়া আকৌ নৱৰূপ পালে ।
শীতমহীয়া শুকান পাতৰ খৰ-মৰনি
দুবৰি বনৰ সেউজবুলীয়া ছন্দ,
তাত মই শুনিবলৈ পাওঁ
আইতা-ককাৰ হাতেৰে ৰচা
বহু খেসিচৰ কথাৰ ফুলজাৰিৰে
মিছা প্রলোভনেৰে,
আৰু মনক দমাব নোৱাৰিবা।
মোৰ উদ্দেশ্যৰ বল
ঠুনুকা পাত নহয়,
প্রখৰ ৰ'দত লেৰেলা,
তোমালোকৰ ভৰিৰ তলুৱা ভেদি
মূৰ তোলা দুবৰি বন ।
এখন দেশৰ মাটিত
কেঁচা গোন্ধ
সেয়া তোমালোকৰ যদি
মোৰো প্রাপ্য ;
স্বাধীন আকাশৰ স্বাধীন বা
মোকো লাগে ।
বাস্তৱতে ৰূপ দিব লগা
আছে মোৰ বহু স্বপ্ন,
তাৰ বাবে লাগিব
লিংকন,লুথাৰ, লেনিন
আৰু আলোকৰ
ভাগৰি নপৰা শক্তিশালী বাহু ।
বিশাল পৃথিৱীৰ সপোন
দেখিব জনা
বতাহ, বৰষুণ, নেওচিব পৰা
মই সেই দুবৰি বন ।





# প্রতীক্ষা

মূল ঃ পৰখী
কবি ঃ লোকবাহাদুৰ ছেত্রী
অনুবাদ ঃ শ্রীবীৰেন্দ্র কুমাৰ বৰ্মণ
প্রবক্তা, নৃতত্ত্ব বিভাগ

জপনা মুখত মই ৰৈ আছিলো
তোমাৰ বাবে,
তুমি পঠোৱা খবৰ টুকুৰাৰ আঁত ধৰি
নীৰৱে সন্ধিয়াৰ সমীৰণে,
মোৰ শৰীৰত শিঁহৰণ আনিছিল ।
সময় আগবাঢ়িছিল নিশাৰ গভীৰতালৈ।
বিহ্বল হৃদয়েৰে মই আছিলো
তোমাৰ প্রতীক্ষাত।
উৎকণ্ঠা আৰু উন্মাদনাত হৈ পৰিছিলো
মই জৰ্জৰিত
তথাপিও নীৰৱে মই ৰৈ আছিলো প্রতীক্ষাত।
ঘিট্ মিটীয়া নিশা অসহ্য বন্যাই
কৰিছিল মোক উপহাস,
তথাপি কল্পনা বিভুত হৈ আছো
মই তোমাৰ প্রতীক্ষাত ।

# সেউজী শব্দৰ এপাহি কপৌ

□ বসন্ত কুমাৰ দত্ত
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ

গিৰি - গুহা বন উপবনে
আলফুলে সাজি দিছিল
প্ৰিয়তম পৰ্যটন পথ
তোৰ ছন্দিত চেতনাত
নৈখনে নাচিছিল
দুপাৰৰ কহুৱা কঁপাই
অহাৰ পৰত কত সাজ সলালি
ঋতুৱে ঋতুৱে মুখৰ মিতিৰালি
বুকুত গুজি ললি বকুল পদুম
যুতি জাই গোলাপ শেৱালি
ডিঙিত পিন্ধিলা চেনেহ চৰাইৰ
ধ্ৰুপদী সংগীত
তই পাবিনে নিজক চিনি
প্ৰথম পুৱাৰ পদশিলা
ক'ত এৰিলি
কোন পাঠশালাত পঢ়িলি
শৈশৱৰ কুঁহিপাঠ
উভতি নেচাবি নেচাবি
আঁজলি ভৰাই লৈ জিল মিল জিঞা
তই আহি আছ আহি থাক আহি থাক
চিনাকি অচিন অনেকৰ স'তে
বাটৰ কাষত আকউ এবাৰ
গোপনৰ কথা পাত
অশাতৰ শাত শাতি
সৌ থাক হাঁহি হাঁহি
লাগে যদি কেতিয়াবা
গুজি ল'বি অন্তৰত
বিৰাগৰ বনবীয়া বাঁহী
নেলেখিবি নগাখিবি যোৱাৰ বাটত
নাই যদি প্ৰেমৰ জোনাক
সোণাক হেঙুল সানি
সলাই ল'বি এবাৰতে
নাচোনৰ নুমলীয়া
নতুন এসাজ



তই সীতা নে সাবিত্ৰী
দৈৱকী নে দ্ৰৌপদী
উৰ্মিলা নে উত্তৰা
মেনকা নে মন্দাকিহ্যা অহল্যা
তই হ'ব পাৰ নীলকণ্ঠী অথবা
জাহ্নবী যমুনা মন্দাক্ৰান্তা মন্দাকিনী
হ'ব পাৰ অকোৰৰ
বুকু জুৰুৱা পিঁয়াহৰ পানী
তই প্ৰাচীন নে অৰ্বাচীন
চিৰদিন চিৰযৌৱনা
সেউজী শব্দৰ এপাহি
কপৌ॥

# গীত


*কথা আৰু সুৰ ঃ শ্ৰীপ্ৰাণেশ্বৰ নাথ*
*প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ*

মোৰ সপোনৰ
সূৰ্য মানুহ তুমি
স্বদেশ স্বকালৰ
সেন্দুৰীয়া আলিয়েদি
আগুৱাই যোৱা ........ ॥


এই মাটিতেই
আছে তোমাৰ
জীৱন বোধৰ চেতনা
এই মাটিতেই
ফুল ফুলিব
হৃদয়ে হৃদয়ে.....
মাথোঁ শান্তিৰ
সুৰ গোৱা ...... ॥

তোমাৰ সংগমত
প্ৰসাৱিত হওক
সংহতিৰ এক
নতুন প্ৰজন্ম
সেই দিনা
হওক সমাগত
আগুৱাই যোৱা ..... ॥

এতিয়া সময়
মাথোঁ তেজময়
সেয়ে তুমি
নতুনৰ মুখলৈ
চোৱা চোৱা .....
আগুৱাই যোৱা ..... ॥



# গল্প গুচ্ছ



- ৎিবেকৰ পৰিচয়
- মৰা মানুহৰ হাঁহি
- এটি সূৰ্য আঁকি দিয়া
- সম্বন্ধ
- মৰহা পাপৰি

# বিবেকৰ পৰিচয়

শ্ৰীলোকপ্ৰিয় দাস
স্নাতক ২য় বৰ্ষ(কলা শাখা)



“ধূৰ চাল্লা !”- নগেনে তাৰ হুঁপি থকা বিড়িটো দলিয়াই দিলে। নিজৰ ওপৰতে তাৰ মস্ত খং উঠি গ'ল। হাততে পাইও সি চান্স এটা হেৰুৱালে। পৰহি নিশা সি এটা সপোন দেখিছিল। সেইটোকে তীৰৰ নম্বৰ ধৰিম বুলি ভাবিও পাহৰি থাকিব লাগে নে ? ভগবানে সকলোকে ঠিকে চকু মেলি চায়। কি মাৰুতিৱালা, কি ঠেলাৱালা, সকলো সমান। আমি নিজেহে অৱহেলা আৰু মূৰ্খামিৰ বাবে তক্দীৰৰ বেখাকো ধোকা দিওঁ। হাততে পোৱা আলাউদ্দিনৰ চাকিটোও হেৰুৱাই পেলালো। নহ'লে চাল্লা, এই খিনি সময় . মাৰুতি চলাই ঘৈণীক কোনোবা ডাঙৰ ডাক্তৰৰ ওচৰলৈ লৈ গ'লোহেঁতেন।” নিজকে ধিক্কাৰ দিলে সি। এনেকৈ আবোল -তাবোল ভাবোতে তাৰ দহ মিনিট মান পাৰ হ'ল। সি আকৌ এটা বিড়িৰ প্ৰয়োজন অনুভৱ কৰিব ধৰিলে। হৈ যোৱাবোৰ ভাবি তাৰ আৰু মূৰ গৰম কৰাৰ ইচ্ছা নহ'ল।

“ অই পেটলু ! আৰু এটা বিড়ি দেচোন,” গুমটি দোকানীজনক উদ্দ্যেশি ক'লে। বিড়িতো জ্বলাই সি ওচৰতে থকা কাঠৰ তক্তাখনত বহি ভাবিব ধৰিলে- এতিয়া সি কি কৰিব ? ঘৰত এটা ফুটা কৰিও নাই, লগত আছে মাত্ৰ বাৰ টকা। ইফালে ঘৈণীয়েকৰ বৰ টান অসুখ। বহু ভাবিও সি একো সঠিক সিদ্ধান্তত উপনিত হ'ব পৰা নাই। কাৰণ তাৰ হাতত প্ৰয়োজনীয় টকা নাই। বিড়িটোত এটা টান হোঁপা দি ধোঁৱাখিনি এটা বিশেষ ভঙ্গীত বাহিৰলৈ ফুমাৰি পঠিয়ালে যেন বিড়িটোত দিয়া হোঁপাটো আৰু ধোঁৱাৰ আওঠি বোৰেহে তাক সমস্যা সমাধানৰ পথটো দেখুৱাই দিব।

এখন প্ৰাইভেট বাছ গাড়ীৰ হেণ্ডিমেন নগেন। দৰমহা বেছি নাপায় যদিও চাৰিজন সদস্য-কোনো মতে চলি যায়। কিন্তু এসপ্তাহ ধৰি অসম বন্ধ, চকা বন্ধ হৈ থকা বাবে ঘৰৰ খৰচ আৰু ঘৈণীয়েকৰ অসুখৰ বাবদ সাঁচতীয়া টকাখিনি খৰচ হ'ল। তাৰ লিখা পঢ়া বিশেষ নাই যদিও সি বুজি পায় এইবোৰ হোৱাৰ ফলত কোন শ্ৰেণী লোকৰ মুনাফা হয় আৰু কাৰ ক্ষতি ?

“ ঐ , কিয় মন মাৰি আছ হা ?” - চিনাকি মাত শুনি নগেনে পিছফাললৈ ঘূৰি চাই ৰাতুলক দেখি তাৰ মনটো ভাল লাগি গ'ল। মনত কম পৰিমানে হ'লেও এটা আশাৰ সঞ্চাৰ হ'ল। তথাপিও সি কেনেকৈ তৎক্ষণাত টকাৰ কথা কয়।

“ নাই অ'। একো নাই। এনেয়ে অলপ বহিছোঁ।” তাৰ মুখেৰে কেইটামান ‘বেডিমেট’ বাক্য ওলাই আহিল। ৰাতুলেও কাষতে বহিল আৰু চিগাৰেটৰ পেকেট ব পৰা এটা গোল্ডফ্লেক উলিয়াই নগেনৰ পিনে আগবঢ়াই দিলে। ইতিমধ্যে দুয়ো দুয়োৰে নিজৰ চিগাৰেট জ্বলাই ললে। সি ৰাতুলক তাৰ অৱস্থাটোৰ বিষয়ে জনাব খুজিলে, কিজানিবা কিবা সঁহাৰি, আচলতে সহায় পায়েই সেই আশাত। নগেনে পৰিস্থিতিটো গমি সুচতুৰ চিকাৰী দৃষ্টিৰে ৰাতুলক এবাৰ চাই ল'লে। কিন্তু ৰাতুলৰ বিমৰ্ষ মুখখন দেখি সিও নীৰৱে থকাটোকে সিদ্ধান্ত ললে।

“ ইমান চিন্তা কৰিব নালাগে দে। মোৰ লগত ব'লচোন ব'ল, সকলো ঠিক হৈ যাব।” নীৰৱতা ভংগ কৰি হঠাৎ ৰাতুলে মাত দিলে যেন সি নগেনৰ সকলো কথা বুজিহে পাইছে। ‘মানে’? নগেনে বুজিব নোৱাৰি সুধিলে। সি ভাবিলে কি চিন্তা কৰাৰ বিষয়ে ক'ব খুজিছে ৰাতুলে। “ মই তোৰ ঘৰলৈ গৈছিলো। তাতে নবৌৰ অসুখৰ কথাটো জানিব পাৰিলো। এতিয়া অক্সৰা চিনেমা হল'লৈ যাওঁ ব'ল। তাতে এজন ব্লেকাৰৰ পৰা কেইটামান টকা পাব লগা আছে।” ৰাতুলৰ ওচৰত সি নিজকে তুচ্ছ যেন অনুভৱ কৰিলে। তাৰ নিজৰ ঘৈণীয়েকৰ অসুখ অথচ সি একো এটা কৰিব পৰা নাই। ৰাতুল তাৰ কোনো সম্বন্ধীয় লোক নহয়। এসময়ত দুয়ো একেজন মহাজনৰ গাড়ীতে কাম কৰিছিল। তেনেকৈ সিঁহতৰ মাজত নিবিড় বন্ধুত্ব গঢ়ি উঠিল। তেজ মঙহৰ সম্পৰ্ক নাই অথচ আপোন। সিহঁত দুয়ো অক্সৰা হল পালেগৈ। ইতিমধ্যে

কাউণ্টাৰত টিকট দিয়া আৰম্ভ হৈছিল আৰু লগে লগে আৰম্ভ হৈছিল চিঞৰ বাখৰ, হায় উৰুমি আৰু কিছুমান অশ্লীল বাক্য। বাতুলে তাক এঠাইত ৰ'বলৈ কৈ মানুহৰ ভিৰৰ মাজত সোমাই পৰিল । নগেনে টিকটৰ কাৰণে কাউণ্টাৰত টনা আজোৰা কৰা মানুহ বোৰলৈ কোনো উৎসুকতা নৰখাকৈ চকু দিলে। হঠাৎ তাৰ চকুযোৰ নিবদ্ধ হ'ল এজন লোকৰ পিছ পকেটৰ মানি পাৰ্চটোত। মানি পাৰ্চটো এনে ভংগীত আছে যেন স্পৰ্শ পালেই পকেটৰ পৰা ওলাই সি মাটিত পৰিব । নগেনে মনতে ভাবিলে - " ভগবানে তোক এই বিপদৰ পৰা ৰক্ষা পাবলৈ আকৌ এটা সুবিধা দিছে। সুবিধাতো তই নেহেৰুৱাবি।" কথাষাৰ মনলৈ অহাৰ লগে লগে তাৰ মনতে এটা বুদ্ধি খেলালে। সিও আন টিকট কাটিব যোৱা মানুহৰ দৰে কাউণ্টাৰলৈ গৈ নিৰ্দিষ্ট অচিনাকি মানুহজনৰ পিছ ফালে থিয় দিলে। এতিয়া তাৰ কাম হ'ল পাৰ্চটো লোৱা । জীৱনত কোনো দিনে এনে অসৎ উপায়েৰে টকা উপাৰ্জন কৰা নাই। প্ৰত্যক্ষ ভাবে পাৰ্চটোত হাত দিবলৈও সি সাহস গোটাব নোৱাৰিলে । গতিকে সি এটা ঠেলা ঠেলি হোৱাৰ অপেক্ষাত ৰ'ল। সুবিধাটো পাবলৈ সি বেছি সময় ৰ'ব লগা নহ'ল আৰু সেই মুহূৰ্ততে সি সময় আৰু হাতৰ কিলাকুটিৰে অসৎ কামটো কৰি পেলালে যদিও পাৰ্চটো ওলাই মাটিত পৰিল আৰু লগে লগে সি সেইটো ভৰিৰে গছকি ধৰিলে । তাৰ মুখমণ্ডলত সাফল্যৰ হাঁহিৰ পৰিবৰ্তে কেইটোপালমান ঘাম বিৰিঙি উঠিল। সি পাৰ্চটোৰ গৰাকীজনলৈ আৰু লগতে আন মানুহবোৰলৈও চকু ফুৰালে। তৎমুহূৰ্ততে সি হেলনীয়া হৈ পাৰ্চটো মাটিৰ পৰা তুলি লংপেণ্টৰ পকেটত সুমুৱালে আৰু খৰতকীয়া খোজেৰে সি তাৰ পৰা গুচি আহিল। সেই সময়ত খালি বিক্সা এখন অলপ দূৰত ঘূৰোৱা দেখা পালে। সি দৌৰি গৈ বিক্সাখনত উঠিল।

" কিধৰ চলেংগে বাবু ?" বিক্সাৱালাই সুধিলে । মুহূৰ্তৰ বাবে মৌনভাবে থাকি সি উত্তৰ দিলে " বিৰুবাৰী চলো ।" অলপ দূৰ যোৱাৰ পাছত ৰিক্সাৰ ওপৰতে নগেনে পাৰ্চটো খুলি চালে । খোলাৰ লগে লগে এখন যুগ্ম ফটো নগেনৰ চকুত পৰিল। ফটোখন পাৰ্চটোৰ গৰাকীজনৰ আৰু আনজনী এগৰাকী মহিলাৰ । কপালত থকা সেন্দুৰৰ ফোটটোৰ পৰা সি অনুমান কৰিলে নিশ্চয় মহিলাগৰাকী পাৰ্চটোৰ গৰাকীজনৰ ঘৈণীয়েক। ফটোখনলৈ চালে যদিও সি বিশেষ গুৰুত্ব নিদিলে। পাৰ্চটোত কিমান টকা আছে সেইটোহে সি উৎসুকতাৰে চাব ধৰিলে। সি হিচাপ কৰি দেখিলে যে মুঠ ছশ টকাৰ অলপ বেছি হ'ব।

নগেনৰ ঘৰত থকা অসুখীয়া ঘৈণীয়েকলৈ মনত পৰিল। কিন্তু হঠাৎ তাৰ মনটোত খেলি মেলি লাগি গ'ল। তাৰ অন্তৰ আত্মাই যেন তাক সকিয়াই দিলে, " নগেন তই ইমান দিনে সৎ উপাৰ্জনেৰে তোৰ সংসাৰ খন চলাই আহিছ, আজি জানো তই এই চুৰি কৰি পোৱা টকাখিনিৰে ঘৈণীয়েৰৰ চিকিৎসা কৰিব পাৰিবি ? আনৰ উপাৰ্জনৰ এই টকাখিনিত সেইজন মানুহৰ আশা-আকাঙ্খা, সুখ-দুখ বিজৰিত হৈ আছে । এইখিনি টকাৰে ঘৈণীয়েৰক চিকিৎসা কৰি তই জানো নিজেই নিজৰ ওচৰত এজন চোৰৰ পৰিচয়টো গোপন কৰিব পাৰিবি ?"

" নাই " হঠাৎ তাৰ মুখৰ পৰা এটা শব্দ ওলাই আহিল। "ক্যা বোলা বাবু "-বিক্সাৱালাৰ মাতত সি সম্বিত ঘূৰাই পালে। " নাই একো নহয়। বিক্সাখন ঘূৰোৱাচোন । আকৌ অন্সৰা লৈকে ব'লা" - নগেনে নিজকে ভাবিব পৰা নাছিল যে ইমান সোনকালে সি এটা সিদ্ধান্তত উপনিত হ'ব পাৰিব।

" বাবুজী অভী অভীতো উধৰসে আয়া। " ৰিক্সাৱালাই ক'লে। "এক আদ্মিকো কুছ দেনা হেই। পাহৰিয়েই গৈছিলো । হৰ আদমিকো কুছ ন কুছতো গলতী হোতা হেই।" - হিন্দী আৰু অসমীয়া ভাষাৰ সংমিশ্ৰণেৰে সি বাক্য কেইটা ক'লে।

তিনি-চাৰি মিনিটৰ পাছতে ৰিক্সাখন গৈ আকৌ অন্সৰা পালে। বিক্সাখন পোৱাৰ লগে লগে বাতুল নগেনৰ ওচৰলৈ আহি কৌতুহলেৰে সুধিলে - " কলৈ গৈছিলি ? অথনিৰে পৰা বিচাৰি আছো।" উত্তৰ দিয়াৰ পৰিবৰ্তে নগেনৰ চকুযোৰ মানুহৰ মাজে মাজে অচিনাকি মানুহ জনৰ সন্ধানত ঘূৰি ফুৰিবলৈ ধৰিলে। আচম্বিতে তাৰ দৃষ্টি গৈ কথা পাতি থকা তিনিজন ব্যক্তিৰ ওচৰত থমকি ৰ'ল। সি পাৰ্চটো খুলি আকৌ এবাৰ ফটোখনলৈ চালে । নগেনৰ অনুভৱ হ'ল যেন তাৰ মনৰ সমস্ত ক'লা ডাৱৰ আঁতৰি গ'ল। বাতুলেও একো বুজিব নোৱাৰি তাক অনুসৰণ কৰিলে।

নগেনে ব্যক্তিজনৰ ওচৰলৈ গৈ কথাৰ আৰম্ভণি নকৰি কোনো দ্বিধাবোধ নকৰাকৈ নিৰ্দিষ্ট ব্যক্তিজনলৈ পাৰ্চটো আগবঢ়াই দিলে। এজন অচিনাকিলোকৰ হাতত নিজৰ পাৰ্চটো দেখি মানুহজন আচৰিত হ'ল আৰু নিজৰ পেণ্টৰ পকেটলৈ হাত দি চালে।

" দাদা, এইটো আপোনাৰ । টিকট কাটিবলৈ যাওঁতে বোধহয় কাউণ্টাৰত পৰিছিল আৰু চাওঁকচোন পাৰ্চটোত আপোনাৰে ফটো আছে ।" নগেনে মিছা মাতিলে। সি অনুভৱ কৰিলে মানুহজন যেন আচম্বিত হ'ল। হেৰোৱা বস্তুটো দুনাই পাই মানুহজন যে সুখী আৰু আচৰিত হৈছে তেওঁৰ আচৰণ আৰু মুখমণ্ডলত খেলি থকা এমোকোৰা হাঁহিয়েই প্ৰমাণ কৰিলে। মানুহজনে নগেনলৈ এশ টকীয়া নোট এখন আগবঢ়াই দি ক'লে "এই খন লোৱা চাহ পানী খাবা।"

নগেনে নোটখন নোলোৱা দেখি পাৰ্চটোৰ গৰাকীজনৰ লগত থকা আন ব্যক্তি দুজনেও তেওঁৰ লগত সমস্বৰ মিলালে। কিন্তু নগেনে সেইটো লবলৈ দৃঢ়ভাবে অস্বীকাৰ কৰাত তেওঁলোক বেছি আচৰিত হৈ পৰিল। তাৰ পিচত পাৰ্চটোৰ গৰাকীজনে সিহঁতৰ পৰিচয় সোধাত নগেনে সিহঁতৰ দুয়োৰে পৰিচয় দিলে আৰু মানুহজনেও উপযাচিয়েই নিজৰ পৰিচয়টোও দিলে যে তেওঁৰ নাম অসীম বৰুৱা; আজি প্ৰায় দুমাহমানেই হ'ল উলুবাৰীৰ এখন চেম্বাৰত নিয়মিয়াকৈ বহে। বহু সময় নীৰৱে থকাৰ পিচত বাতুলে মাত দিলে- " মানে আপুনি ডাক্টৰ?"

" ডাক্টৰ বুলিনো কি কম , মানে ৰোগী পৰীক্ষা কৰা পৰীক্ষক " অসীম বৰুৱাই ধেমালিৰে ক'লে।

" দাদা নগেনৰ ঘৈণীয়েকৰ বৰ অসুখ আপুনি যদি ......." বাতুলে কথাষাৰ শেষ কৰিবলৈ নাপাওঁতে ডাক্টৰে ক'লৈ " আৰে তেতিয়াৰ পৰা কথাটো কিয় কোৱা নাই।"

" দাদা আমিনো কেনেকৈ জানো যে আপুনি এজন ডাক্টৰ" বাতুলে ক'লে।

" আচ্ছা , তেতিয়াহ'লে প্ৰথমে মোৰ চেম্বাৰলৈ যাওঁ আৰু পাচত নগেন হঁতৰ ঘৰলৈ ।" ডাক্টৰ অসীম বৰুৱাৰ কথা শুনি নগেনৰ মুখমণ্ডলত এটা সন্তোষৰ হাঁহি বিৰিঙি উঠিল। □□□

# মৰা মানুহৰ হাঁহি



শ্ৰীকোকিল জ্যোতি দাস
স্নাতক ১ম বৰ্ষ (কলা)

বেলিটো তেতিয়া পশ্চিমত ৰঙাকৈ বহিছে। শীতৰ সেমেকা বতাহ
ৱজাকে গছ-পাতবোৰ কঁপাইছে।চহৰখনত এতিয়াও ব্যস্ত মানুহৰ লানি নিছিগা
সাঁত বৈ আছে।সকলোৱে নিজা নিজা কামত ব্যস্ত; ঘূৰি চাবলৈ কাৰোৱে আহৰি
াই।

এনে এটা সময়তে মনত দুৰ্বাৰ আশালৈ চিটি বাচৰ পৰা নামিয়েই ব্যস্ত
হৰৰ সৈতে একাকাৰ হৈ পৰিল ৰন্‌জি, কান্ধত এটা মোনা আৰু পকেটত বহুদিন
বি জমা কৰি ৰখা কেইটামান টকা। ৰন্‌জি এই গুৱাহাটী চহৰলৈ বহুদিন ধৰি
াহা নাই যদিও যোনেৰে সদায়েই তাৰ হোলচেল কাপোৰৰ দোকান এখনৰ
গত যোগাযোগ চলিয়েই থাকে ব্যৱসায় সংক্ৰান্তত। কম সময়ৰ ভিতৰতে নিৰ্দিষ্ট
াকানখনত উপস্থিত হ'ল। সি দোকানী জনলৈ অভিবাদন জনাই চকী এখনত
ই ল'লে। দোকানীজনৰ আদেশ মৰ্মে সৰু ল'ৰা এজনে দুকাপ চাহ আনি
কাপ বন্‌জিৰ ফালে আগ বঢ়াই দিলে।

পৰম তৃপ্তিৰে সি চাহৰ পিয়লাত মুখ লগাই অনুভৱ কৰিলে যে কিছু সময়
ছতেই তাৰ দীৰ্ঘদিনীয়া সপোনৰ অৱসান ঘটিব। সপোনবোৰ যেন বাস্তৱ হ'ব।
গ লগে তাৰ অকলশৰীয়া জীৱনৰো অন্ত পৰিব। স্মৃতিয়ে তাক লৈ গ'ল
শৱৰ সোণালী মোহনীয়া দিনবোৰলৈ । সেইবোৰ স্মৃতিৰ প্ৰেৰণাতে সি
উয়াও জীয়াই থকাৰ সাহস গোটায়। তাৰ মানস পটত ভাহি উঠিল কেইখনমান
াৰ ছবি। দোকানীজনৰ নিৰ্দেশ মৰ্মে সেই বিশেষ স্থানলৈ যাবলৈ সি উদ্যত
ল। য'ত তাৰ মানস পটত ভাঁহি উঠা অন্ততঃ এখন মুখৰ ছবি সি দেখা পাব।

দুৰ্গন্ধময় জাবৰৰ দ'ম আৰু নলাৰ মাজে মাজে সৰু বৰ অসংখ্য ঘৰ। অৱশ্যে
বুলি ক'লে কিছু বঢ়াই কোৱা হ'ব। দৰাচলতে গছপাত, থৈলাৰে আবৰা
ইমান সাধাৰণ জুপুৰি। য'ত এটাৰ লগত আনটোক কোনো বেৰ বা সীমাৰে
পৃথক কৰিব নোৱাৰি। এয়াই চহৰৰ ওচৰে পাজৰে গঢ় লৈ উঠা তথাকথিত বস্তি
এলেকা।

দোকানীজনৰ ঠিকনা অনুসৰি বন্‌জিয়ে সেই বস্তিৰ এলেকাৰ ফালে আগ
বাঢ়িল। এলেকাটোৰ মধ্যত থিয় হৈ সি এবাৰ জুপৰিবিলাকলৈ চাই পঠিয়ালে।
নানান প্ৰশ্নই তাৰ মনত জুমুৰি দি ধৰিলে। সি নিজকে বাৰে বাৰে সুধিলে। তাই
বাৰু সঁচাকৈয়ে এই লেতেৰা পৰিবেশত আছে নে?

কিছু সময়লৈ দেখা সপোনৰ মালিতা এতিয়া আৰু তাৰ মনত নাই। তাই
মৰিও থাকিব পাৰে, সি এবাৰ ভাবিলে । বিধিৰ লিখন কোনেও খণ্ডন কৰিব
নোৱাৰে। নহ'লেনো ফুলৰ দৰে নিষ্পাপ আৰু পবীৰ দৰে কোমল সেই
ছোৱালীজনী গাভৰু বয়সতে এনেদৰে নিঠৰুৱা হ'ব লাগেনে? কোনো এক
অজান আশংকাত তাৰ গাৰ নোমবোৰ শিঁয়ৰি উঠিল।

" বাবু যাব নেকি?" ট-ট-কৈ চকুকেইটা জিলিকি থকা ফটা-চিটা মলিয়ন
কাপোৰ পিন্ধা সৰু ল'ৰা এজনৰ কথাত তাৰ সম্বিত ফিৰি আহিল।

"ভাইটি তুমি পৰীক চিনি পোৱা নে?" ল'ৰাজনক উদ্দেশ্য কৰি বন্‌জিয়ে
ক'লে যদিও পৰী নামটো উচ্চাৰণ কৰি তাৰ কেনেবা লাগিল।"

" হয়, চিনি পাওঁ। আহক মোৰ লগে লগে । পিছে পঞ্চাশ টকা বাক্যটি
শেষ নকৰি সি হিঃহিঃ কৈ হাঁহিবলৈ ধৰিলে।

বন্‌জিয়ে আৰু বিশেষ চিন্তা কৰাৰ থল বিচাৰি নাপালে। ভিক্ষা কৰা ল'ৰাটোক
এই মহৎ উপকাৰৰ অৰ্থে যেনিবা সি এটকাৰ পৰিবৰ্তে পঞ্চাশ টকা দিলে ক্ষতি
কি। আনহাতে এন্ধাৰ নামি অহাৰ লগে লগে চাকিৰ পোহৰত চিলমিল হৈ পৰা
বস্তি এলেকাৰ জুপুৰিবোৰৰ মাজত পৰী থকা সেই বিশেষ জুপুৰিটো বিচাৰি
উলিওৱাটো তাৰ পক্ষে সম্ভৱ নহ'ব। পৰীৰ মৰম সনা মুখখন চাবলৈ সি এক
প্ৰকাৰ উত্ৰাৱল হৈ পৰিছে। আনহাতে বস্তি এলেকাৰ দুৰ্গন্ধয়ো তাক বিব্ৰত কৰি
তুলিছে।

"এইটোৰ ভিতৰলৈ সোমাই যাওক"। জুপুৰিবোৰৰ মাজে মাজে এটি
নামমাত্ৰ পথেৰে গৈ এটি সৰু জপুৰিলৈ আঙুলিয়াই ল'ৰাজনে ৰনজিৰ মুখলৈ
চাই ক'লে। কৃতজ্ঞতাৰে ল'ৰাটোলৈ চাই দুৱাৰখন খুলি সি ভিতৰলৈ চাই
পঠিয়ালে। সি স্পষ্ট ৰূপত দেখা পালে ভিতৰত চাং এখনত মহিলা এগৰাকী বহি
আছে, মজিয়াত জ্বলি আছে এডাল কেণ্ডেল। সি কঁকালটো বেকা কৰি মূৰটো
হলাই ভিতৰলৈ সোমাই গ'ল। বাহিৰত তেতিয়া ল'ৰাটোৱে বিভৎস ভাবে
হিঃহিঃ কৈ হঁহাৰ শব্দ আৰু 'মাইজী পঞ্চাশ টকীয়া ' বোলা কথাষাৰ সি স্পষ্ট
শুনিবলৈ পালে।

ৰন্‌জিয়ে ভাল ধৰণে নিৰীক্ষণ কৰিলে মহিলা গৰাকীক । তাইৰ চকু, নাক
আৰু মুখৰ গঠন আৰু নাকৰ ওপৰত থকা মাহটো দেখি তাৰ বুজিবলৈ বাকী
নাথাকিল যে সেইজনী সঁচাকৈ সি ইমান দিনে বিচাৰি ফুৰা তাৰ মৰমৰ ভনী
অৰুণিমাৰ বাহিৰে আন কোনো নহয়। তেলৰ অভাৱত জঁটলগা চুলি, শীতৰ
প্ৰকোপত চিৰা-চিৰকৈ ফটা গাৰ ছাল আৰু চাবোনৰ অভাৱত শৰীৰৰ প্ৰতিখন
কাপোৰ মলিয়ন হৈ পৰা পৰীৰ অৱস্থা দেখি বন্‌জি শিলপৰা কপৌৰ দৰে নিথৰ
হৈ ৰ'ল। তাৰ চকুৰ আগত ভাঁহি উঠিল অতীতৰ সেই ভয়াবহ দিনবোৰৰ কথা।

সিহঁতৰ মৰমৰ গাঁও দিচাংমুখ আৰু তাৰ আশে পাশে থকা গাঁও বোৰৰ
এতিয়া কোনো অস্তিত্ব নাই। বৰ লুইতৰ বিশাল বুকুত বিলীন হৈ গ'ল সেই